**ASSAM**

**News**

**ASSAMESE**

**DAINIK ASAM**

**Guwahati**

**JULY 2018**



# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

১০ ব্যৱসায় ত্যাগ ■ দুবছৰৰ কাৰাদণ্ড

৭ সজাগতা সভা ■ কেন্দ্ৰ পৰিদৰ্শন

১২ আকাশলংঘী মুদ্ৰাস্ফীতি ■ এয়াৰবেগত বিসংগতি

১৪ খেলিছিল এমবাপ্পেই ■ ৰামকুমাৰ স্তব্ধ

N-11989/65 RNP/GH-104/09-11 ■ ৫৩ বছৰ ■ ৩৪৭ সংখ্যা, ৯ শাওণ, বৃহস্পতিবাৰ, ১৯৪০ শক ■ DAINIK ASAM : Assamese Daily ■ VOL. 53 NO. 347 ■ GUWAHATI, THURSDAY, JULY 26, 2018 ■ পৃষ্ঠা ১৪ (Pages 14) ■ ৬.০০ টকা (Rs. 6.0

## ৰমণ মেগছেছে বঁটাৰ বাবে মনোনীত দুই ভাৰতীয়ও

নতুন দিল্লী, ২৬ জুলাইঃ ৰমণ মেগছেছে বঁটা বিজয়ী এইবাৰৰ ছজন লোকৰ ভিতৰত ভাৰতৰ সোণম ৱাংছু আৰু ভাৰত ভটৱানীও আছে। শিক্ষা, সংস্কৃতি আৰু প্ৰকৃতিলৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে ৱাংছুক মেগছেছে বঁটাৰ বাবে নিৰ্বাচন কৰা বুলি বাছনি সমিতিয়ে সদৰি কৰিছে। আনহাতে, ভাৰত ভটৱানীলৈ এই সন্মান দিয়া হৈছে মানসিক বিকাৰগ্ৰস্ত একাংশক উদ্ধাৰ কৰি পৰিয়ালক চমজাই দিয়াৰ সুবাদত। স্মৰ্তব্য ৰমণ মেগছেছে বঁটাক বিদ্বৎ সমাজে নʼবেল বঁটাৰ এছিয়ান সংস্কৰণ হিচাপে গণ্য কৰে। ফিলিপাইনছৰ ৰাষ্ট্ৰপতিৰ ১৯৫৭চনত বিমান দুৰ্ঘটনাত মৃত্যু হোৱাৰ পিছত তেওঁৰ স্মৃতিত এইবঁটা প্ৰৱৰ্তন কৰা হয়। এইবাৰৰ বঁটা প্ৰদান অনুষ্ঠান ফিলিপাইনছৰ মেনিলাত ৩১ আগষ্টত অনুষ্ঠিত হʼব।

ভৰত ভটৱানী — সোণম ৱাংছু

বিধানসভাৰ গহীত প্ৰস্তাৱ কেন্দ্ৰলৈ প্ৰেৰণৰ যো-জা

ASSAM

News

ASSAMESE

DAINANDIN BARTA

Guwahati

JULY 2021




গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

দৈনন্দিন বাৰ্তা



একাদশ বছৰ ■ সংখ্যা ৩৪৫ ■ গুৱাহাটী ■ শনিবাৰ, ২৪ জুলাই, ২০২১, ৭ শাওণ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper: www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২+২=১৪

VOL. 11 ISSUE NO. 345 Dainandin Barta ■ Guwahati, Saturday ■ 24 July 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12+2=14 ■ Rs. 7.00 Only


# পাঁচ বছৰৰ মূৰত নিজ গৃহত উপস্থিত তামুলপুৰৰ মাৰ্কুচ মাৰ্ডি



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৩ জুলাই ঃ** আজিৰ পৰা পাঁচ বছৰৰ পূৰ্বে তামুলপুৰ মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ হৰতোলা গাঁৱৰ পৰা নিৰুদ্দেশ হৈছিল এজন সুঠাম যুৱক মাৰ্কুচ মাৰ্ডি। হৰতোলা গাঁৱৰ প্ৰয়াত পট্ৰাচ মাৰ্ডি আৰু কেৰ'লিনা মুৰ্মুৰ পুত্ৰ মাৰ্কুচৰ সেই সময়ত বয়স হৈছিল বিশ বছৰ। এদিন ঘৰত কোনেও নথকাত ঘৰৰ পৰা ওলাই গৈছিল মাৰ্কুচ। কিছু মানসিকভাৱে বিকাৰগ্ৰস্ত যুৱকজনে ভাৰতৰ বিভিন্ন ঠাইত ঘূৰি ফুৰাৰ পিছত বিগত জুন মাহত ৰাজস্থানৰ যোধপুৰৰ পদপথত মাৰ্কুচক উদ্ধাৰ কৰিছিল দিল্লীৰ শ্ৰদ্ধা নামৰ এটা বেচৰকাৰী সংস্থাৰ একাংশ কৰ্মকৰ্তাই। তাৰ পিছত দিল্লীলৈ নি বহুদিন যুৱকজনৰ মানসিক ৰোগৰ চিকিৎসা কৰাৰ পিছত তেওঁলোকৰ ফালৰ পৰা পৰিয়ালৰ স'তে যোগাযোগ কৰি ২২ জুলাই তাৰিখে নিউ বঙাইগাঁও ৰে'লৱে জংচন পৰ্যন্ত আনি পৰিয়ালৰ লোকক গতাই দিয়ে। যুৱকজনক ঘূৰাই পোৱাৰ পিছত দিল্লীৰ সেই শ্ৰদ্ধা ৰিহেবিলিটেচন ফাউণ্ডেচনৰ ওচৰত আজি কৃতজ্ঞতা প্ৰকাশ কৰাই নহয়, হিয়া উজাৰি অনুষ্ঠানটোৰ সফলতা আৰু দীৰ্ঘায়ু কামনা কৰে পৰিয়ালৰ অন্যসকলৰ লগতে মাৰ্কুচৰ মাতৃয়ে।

**ASSAM**

**News**

**ASSAMESE**

**DAINIK AGRADOOT**

**JULY 2021**

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

Thursday, 29th July, 2021

# পাঁচ বছৰে নিৰুদ্দিষ্ট হৈ থকা তামুলপুৰৰ যুৱকক উদ্ধাৰ কৰি গতালে দিল্লীৰ বেচৰকাৰী সংস্থাই



অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ২৪ জুলাই ঃ পাঁচ বছৰ পূৰ্বে তামুলপুৰ মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ হৰতলা গাঁৱৰ পৰা নিৰুদ্দেশ হোৱা এজন মানসিকভাৱে অসুস্থ যুৱকক ৰাজস্থানত উদ্ধাৰ কৰি পৰিয়ালৰ লোকক গতাই দিছে দিল্লীৰ এটা বেচৰকাৰী সংস্থাই। উল্লেখ্য যে হৰতলা গাঁৱৰ প্ৰয়াত পাট্ৰাচ মাৰ্ডি আৰু কেৰ'লিনা মুৰ্মুৰ পুত্ৰ ২০ বছৰীয়া

ছয় পৃষ্ঠাত চাওক

## পাঁচ বছৰে নিৰুদ্দিষ্ট হৈ থকা

*তিনি পৃষ্ঠাৰ পৰা*

মাৰ্কুচ মাৰ্দিয়ে পাঁচ বছৰ পূৰ্বে ঘৰৰ পৰা নিৰুদ্দেশ হৈছিল। সুঠাম স্বাস্থ্যৰ গৰাকী মাৰ্কুচে কিছু পৰিমাণে মানসিকভাৱে অসুস্থ আছিল বাবে এদিন ঘৰত কোনো নথকাত ওলাই যোৱাৰে পৰা নিৰুদ্দেশ হৈ আছিল। পৰিয়ালৰ লোকে বহুত বিচাৰ-খোচাৰ কৰিও সন্ধান পোৱা নাছিল মাৰ্কুচৰ। ইফালে, মানসিকভাৱে অসুস্থ যুৱকজনক যোৱা জুনত ৰাজস্থানত যোধপুৰৰ পদপথত উদ্ধাৰ কৰিছিল দিল্লীৰ 'শ্ৰদ্ধা' নামৰ এটা বেচৰকাৰী সংস্থাৰ একাংশ কৰ্মকৰ্তাই। তাৰপাছতে যুৱকজনক দিল্লীলৈ নি বহুদিন মানসিক ৰোগৰ চিকিৎসা কৰাৰ পাছত প্ৰকৃত পৰিচয় উদ্ধাৰ কৰি বেচৰকাৰী সংস্থাটোৱে পৰিয়ালৰ লোকৰ লগত যোগাযোগ কৰে। পৰিয়ালৰ লগত যোগাযোগ স্থাপনৰ পাছত যোৱা ২২ জুলাইত বেচৰকাৰী সংস্থাটোৰ কৰ্মকৰ্তাই নিউ বঙাইগাঁৱৰ ৰেলৱে জংছনত পৰিয়ালৰ লোকৰ হাতত গতাই দিয়ে পাঁচ বছৰে নিৰুদ্দিষ্ট যুৱকজনক। দীঘদিনৰ মূৰত ঘূৰাই পোৱা যুৱকজনক লৈ পৰিয়ালটোৱে আনন্দিত হোৱাৰ লগতে উদ্ধাৰ কৰা বেচৰকাৰী সংস্থাটোক ভূয়সী প্ৰশংসা কৰি কৃতজ্ঞতা জ্ঞাপন কৰে।

ASSAM

News

ASSAMESE

DAINIK JANAMBHUMI

Guwahati

JULY 2021

নিৰ্ভীক সাংবাদিকতাৰ প্ৰতীক

দৈনিক জনমভূমি

portal : www.janambhumi.in // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

...কবিংশ বছৰ, সংখ্যা ১২৯ ● শনিবাৰ ● ৭ শাওন ১৯৪৩ শক RNI No. ASSASS/2001/04531 THE DAINIK JANAMBHUMI Guwahati Saturday July 24, 2021 ● ১৪ পৃষ্ঠা ● গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰ...

# চিলাপথাৰৰ মানসিক ৰোগত আক্ৰান্ত যুৱকক সাত বছৰৰ পিছত উদ্ধাৰ

**চিলাপথাৰ ঃ** নিজা বাতৰি দিওঁতা, ২৩ জুলাই ঃ মানসিক ৰোগত আক্ৰান্ত হোৱা ৰাজু বৰুৱা (৩৩) নামৰ যুৱকজনক সাত বছৰৰ পিছত উদ্ধাৰ কৰা হৈছে । বিগত ২০১৪ চনৰ মাজভাগত চিলাপথাৰ ৰে'ল ষ্টেছনৰ পৰা নিখোজ হৈছিল ৰাজু। ঘৰৰ পৰিয়ালে যুৱকজনক বিচাৰ- খোচাৰ কৰি কোনো সন্ধান নোপোৱাত আশা হেৰুৱাই পেলাইছিল যদিও অৱশেষত আজি পুৱা সোঁ-শৰীৰে চিলাপথাৰৰ সমবায় গাঁৱত উপস্থিত হয়। মানসিক ৰোগী ৰাজুৱে চিলাপথাৰ ৰে'ল ষ্টেছনৰ পৰা ৰে'লত উঠি যোৱাৰ পিছত গুজৰাটত উপস্থিত হৈছিল। ইয়াৰ পিছত মধ্যপ্ৰদেশ, গুজৰাট আদি স্থানত পদপথত ঘূৰি আছিল। ৰাজস্থানৰ যোধপুৰৰ পদ পথৰ পৰা যুৱকজনক উদ্ধাৰ কৰি মুম্বাইৰ শ্ৰদ্ধা আশ্ৰমে আনি চিকিৎসা প্ৰদান কৰে। বিগত ৩ বছৰ ধৰি মানসিক ৰোগৰ চিকিৎসা সেৱা প্ৰদান কৰাৰ পিছত যুৱকজনৰ মানসিক চিন্তা ঘূৰি আহে। নিজৰ ঘৰ গাঁওখনৰ বিষয়ে মনত পৰি আশ্ৰমৰ কৰ্তৃপক্ষক নিজৰ পৰিচয় প্ৰদান কৰাৰ পিছত আশ্ৰমৰ কৰ্মচাৰীয়ে আজি চিলাপথাৰ নগৰৰ ১ নং ৱাৰ্ডৰ সমবায় গাঁৱত যুৱক জনক ২ মাহৰ ঔষধৰ সৈতে ঘৰত হৈ যায়। আশা এৰি দিয়া ৰাজুৰ পৰিয়ালটোৱে সাত বছৰৰ মূৰত ৰাজুক কাষত পাই আনন্দিত হয় পৰিছে। লগতে আশ্ৰমৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰিছে। অসমৰ কেইবাজনো মানসিক ৰোগী যুৱকক এই আশ্ৰমখনে চিকিৎসা প্ৰদান কৰি ঘৰত থৈ গৈছে। আশ্ৰমখনে ঘৰত এৰি অহা ৰোগীৰ কাৰণে দুবছৰৰ ঔষধ ডাকযোগে পঠিয়াই দিয়া হয় বুলি আশ্ৰমৰ লোকে জানিবলৈ দিয়ে।

**ASSAM**

**News**

**ASSAMESE**

**DAINIK JANAMBHUMI**

**Jorhat**

**JULY 2021**

নিৰ্ভীক সাংবাদিকতাৰ প্ৰতীক

দৈনিক জনমভূমি

portal : www.janambhumi.in // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

সংখ্যা ৫৪ ● যোৰহাট ● শনিবাৰ ● ৭ শাওণ ১৯৪৩ শক RNI No. 24623/73 THE DAINIK JANAMBHUMI Jorhat Saturday July 24, 2021 ● ১৪ পৃষ্ঠা ● যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ●

# চিলাপথাৰৰ মানসিক ৰোগত আক্ৰান্ত যুৱকক সাত বছৰৰ পিছত উদ্ধাৰ

চিলাপথাৰ ঃ নিজা বাতৰি দিওঁতা, ২৩ জুলাই ঃ মানসিক ৰোগত আক্ৰান্ত হোৱা ৰাজু বৰুৱা (৩৩) নামৰ যুৱকজনক সাত বছৰৰ পিছত উদ্ধাৰ কৰা হৈছে। বিগত ২০১৪ চনৰ মাজভাগত চিলাপথাৰ ৰে'ল ষ্টেছনৰ পৰা নিখোজ হৈছিল ৰাজু। ঘৰৰ পৰিয়ালে যুৱকজনক বিচাৰ- খোচাৰ কৰি কোনো সন্ধান নোপোৱাত আশা হেৰুৱাই পেলাইছিল যদিও অৱশেষত আজি পুৱা সোঁ-শৰীৰে চিলাপথাৰৰ সমবায় গাঁৱত উপস্থিত হয়। মানসিক ৰোগী ৰাজুৱে চিলাপথাৰ ৰে'ল ষ্টেছনৰ পৰা ৰে'লত উঠি যোৱাৰ পিছত গুজৰাটত উপস্থিত হৈছিল। ইয়াৰ পিছত মধ্যপ্ৰদেশ, গুজৰাট আদি স্থানত পদপথত ঘূৰি আছিল। ৰাজস্থানৰ যোধপুৰৰ পদ পথৰ পৰা যুৱকজনক উদ্ধাৰ কৰি মুম্বাইৰ শ্ৰদ্ধা আশ্ৰমে আনি চিকিৎসা প্ৰদান কৰে। বিগত ৩ বছৰ ধৰি মানসিক ৰোগৰ চিকিৎসা সেৱা প্ৰদান কৰাৰ পিছত যুৱকজনৰ মানসিক চিন্তা ঘূৰি আহে। নিজৰ ঘৰ গাঁওখনৰ বিষয়ে মনত পৰি আশ্ৰমৰ কৰ্তৃপক্ষক নিজৰ পৰিচয় প্ৰদান কৰাৰ পিছত আশ্ৰমৰ কৰ্মচাৰীয়ে আজি চিলাপথাৰ নগৰৰ ১ নং ৱাৰ্ডৰ সমবায় গাঁৱত যুৱক জনক ২ মাহৰ ঔষধৰ সৈতে ঘৰত হৈ যায়। আশা এৰি দিয়া ৰাজুৰ পৰিয়ালটোৱে সাত বছৰৰ মূৰত ৰাজুক কাষত পাই আনন্দিত হয় পৰিছে। লগতে আশ্ৰমৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰিছে। অসমৰ কেইবাজনো মানসিক ৰোগী যুৱকক এই আশ্ৰমখনে চিকিৎসা প্ৰদান কৰি ঘৰত থৈ গৈছে। আশ্ৰমখনে ঘৰত এৰি অহা ৰোগীৰ কাৰণে দুবছৰৰ ঔষধ ডাকযোগে পঠিয়াই দিয়া হয় বুলি আশ্ৰমৰ লোকে জানিবলৈ দিয়ে।

**ASSAM**
**News**

**ASSAMESE**

**THE HILLS TIMES**
**Diphu**

**MARCH 2023**


# THE HILLS TIMES

www.thehillstimes.in

*Voice of the hills people*

DIPHU, KARBI ANGLONG | SUNDAY, MARCH 19, 2023 | PAGES 12 | PRICE ₹ 8


## 7th national conference of WAPR-IC concludes

March 19, 2023 By The Hills Times




**HT Correspondent**

TEZPUR, March 18: The two day 7th national conference of WAPR-IC concluded on Saturday at LGB Regional Institute of Mental Health, here. A total of 257 participants registered for the conference. The first day of the conference started with the registration of participants from various fields of mental health and its allied branches.

The first half of the programme was divided into 2 plenary sessions and 3 symposiums with the theme of 'Promoting rights and recovery in mental health' by Dr. Gabriele Rocca, health director of the 'Solaris', Social Enterprise, professor at the Post Graduate School of Psychotherapy, Milan, Italy & president WAPR; Dr. V.K. Radhakrishnan, director, CNK Hospital (P)Ltd, Changanachery & secretary general, WAPR among others.

The 2nd symposium sponsored by Mariwala Health Initiative was held on the theme 'Rehabilitation in Northeast India' with speakers, Mintu Moni Sarma, (Program lead, MITA, the ANT, Bongaigaon); Dilip Gaonker, Parivartan Trust among others.

Inaugural ceremony for the 7th national conference of WAPR-IC was held in the auditorium, LGB Regional Institute of Mental Health, here between which was started with the lighting of the lamp by the dignitaries on Friday. Welcome address was given by the director, LGBRIMH, Dr. S.K. Deuri, director, LGBRIMH delivered the welcome address while a souvenir published for the occasion also was released by the dignitaries present.

**ASSAM**
**News**

**ASSAMESE**

**ETV BHARAT**
**Diphu**

**MARCH 2023**

# National Conference of WAPR IC: তেজপুৰত ৰাষ্ট্ৰীয় WAPRIC ৰ সন্মিলন সম্পন্ন

Published: March, 22, 2023



তেজপুৰ এল জি বি আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত সপ্তম ৰাষ্ট্ৰীয় WAPR ICৰ সন্মিলন সম্পন্ন । ইয়াৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হয় তিনিখন আলোচনা চক্ৰ ।

তেজপুৰ, ২২ মাৰ্চ : তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত For Psychosocial Rehabilitation Indian Chapter(WAPR IC)ৰ সপ্তম ৰাষ্ট্ৰীয় সন্মিলনখন যোৱা ১৭ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় ( National Conference of WAPR IC in Tezpur)। এই সন্মিলনখনত ২৫৭ গৰাকী বিশিষ্ট চিকিৎসকে অংশগ্ৰহণ কৰে । ছাইকিয়াট্ৰি, চাইকিয়াট্ৰিক ছ'চিয়েল ৱৰ্ক, ৰ্কক্লিনিকেল চাইক'লজি, চাইকিয়াট্ৰিক নাৰ্ছিং আৰু এনজিঅ'ৰ ৩৫গৰাকী সমল ব্যক্তিয়েও বৈজ্ঞানিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে । এই সন্মিলনৰ আৰম্ভণিতে মানসিক স্বাস্থ্য আৰু ইয়াৰ সংশ্লিষ্ট শাখাসমূহৰ বিভিন্ন ক্ষেত্ৰৰ অংশগ্ৰহণকাৰীৰ পঞ্জীয়ন কৰা হয় । কাৰ্যসূচীৰ প্ৰথমাৰ্ধতৰ্ধ দুখন অধিবেশন আৰু তিনিখন আলোচনা চক্ৰ অনুষ্ঠিত হয় । এই আলোচনাত ডাঃ ভিকে ৰাধাকৃষ্ণন, ডাঃমুৰালী থাইলথ আৰু আমেৰিকাৰ প্ৰাপ্তবয়স্ক মানসিক স্বাস্থ্য সেৱাৰ সঞ্চালক ডাঃ আলেকজেণ্ডাৰ স্মিথয়ে অংশগ্ৰহণ কৰে । এছ চি আৰ এফৰ গৱেষণাৰ অধ্যক্ষ ডঃ আৰ থাৰাই "প্ৰয়াত অধ্যাপক এম চাৰাদা মেনন–এ লেগেচি ইন চাইকোছ'চিয়েল ৰিহেবিলিটেচন"ৰ ওপৰত এক বিশেষ বক্তৃ তা প্ৰদান কৰে । আনহাতে, ভাৰতত মনোসামাজিক পুনৰ্বা সনৰ্বা বিভিন্ন আৰ্হিৰহিঁ বিষয়বস্তুৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হয় । এই আলোচনাত ডঃ চি ৰামাসুব্ৰমণিয়ান, ডাঃ শশী ৰায়, ডঃ আৰ পদ্মৱতীয়ে বিভিন্ন শিতানত আলোচনা কৰে । ইয়াৰ পিছতেই "উত্তৰ-পূব ভাৰতত পুনৰ্বা সনৰ্বা " শীৰ্ষকৰ্ষ দ্বিতীয়খন আলোচনা চক্ৰ অনুষ্ঠিত হয় । এই আলোচনা চক্ৰত মিন্টু মনি শৰ্মা , ৰ্মাডাঃ নীলেশ মোহিতে আৰু ডাঃৰাজকুমাৰ লেনিন সিঙে অংশগ্ৰহণ কৰে । মনোৰোগ বিশেষজ্ঞ ডাঃ জি স্বামীনাথে 'মানসিক ৰোগত আক্ৰান্ত গৃহগৃ হীন ব্যক্তিৰ পুনৰ্বা সনৰ্বা ' শীৰ্ষকৰ্ষ তৃতীয় অধিবেশন ভাষণ প্ৰদান কৰে ( Rehabilitation of homeless persons suffering from mental illness)। ডাঃ ভাৰত বাটৱানী, অঞ্জনা গোস্বামীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে । তেজপুৰ এল জি বি আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ অডিটৰিয়ামত আয়োজিত WAPR-ICৰ সপ্তম ৰাষ্ট্ৰীয় সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে এলজিবিআৰআইএমএইচৰ সঞ্চালক এছ কেই । ডাঃ গেব্ৰিয়েল ৰ'কা, ডাঃ ভি কে ৰাধাকৃষ্ণে এই সন্মিলনত ভাষণ প্ৰদান কৰে ।